# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 09-12-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জয়পুৰত ৰাইজিং ৰাজস্থান বিশ্ব বিনিয়োগ শীৰ্ষ সন্মিলন ২০২৪ উদ্বোধন কৰিব।

২। প্ৰধানমন্ত্ৰীয়ে আজি হাৰিয়ানাৰ পাণিপটৰ মহাৰাণা প্ৰতাপ উদ্যান শস্য বিশ্ববিদ্যালয়ৰ মূল প্ৰাঙ্গণৰ আধাৰশিলা স্থাপন কৰাৰ লগতে ভাৰতীয় জীৱন বীমা নিগমৰ বীমা সখী যোজনা মুকলি কৰিব।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি ৰাছিয়াৰ কালিনিনগ্ৰেডৰ যন্ত্ৰ বন্দৰত ভাৰতীয় নৌবাহিনীৰ নৱতম সংযোজন মিছাইল ফ্ৰিগেট আই এন এছ্ টুছিল উদ্বোধন কৰিব।

৪। ওমানৰ মাস্কটত যোৱা নিশা অনুষ্ঠিত মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰতে বাংলাদেশক ১৩-১ গলৰ বিশাল ব্যৱধানত পৰাস্ত কৰে। **আৰু**

৫। ভাৰতীয় বেডমিণ্টন তাৰকা অশ্বিনী পোনাপ্পা আৰু টানিছা ক্ৰাষ্ট'ৰ যুটীয়ে কালি গুৱাহাটী মাষ্টাৰ্ছ ছুপাৰ হাণ্ড্ৰেড প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ খিতাপ দখল কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জয়পুৰত ৰাইজিং ৰাজস্থান বিশ্ব বিনিয়োগ শীৰ্ষ সন্মিলন ২০২৪ উদ্বোধন কৰিব। জয়পুৰ প্ৰদৰ্শনী আৰু কনভেন্সন কেন্দ্ৰত আয়োজন কৰা এই তিনিদিনীয়া সন্মিলনত প্ৰধানমন্ত্ৰী মোদীয়ে উদ্বোধনী ভাষণ দিব। প্ৰধানমন্ত্ৰীয়ে লগতে এই সন্মিলনতে আয়োজন কৰা ৰাজস্থান গোলকীয় বাণিজ্য মেলাও উদ্বোধন কৰিব। সন্মিলনত ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজন লাল শৰ্মাকে ধৰি বহুকেইগৰাকী কেন্দ্ৰীয় মন্ত্ৰী উপস্থিত থাকিব। তদুপৰি ৫ হাজাৰৰো অধিক ব্যৱসায় আৰু বাণিজ্য প্ৰতিনিধি, আগশাৰীৰ উদ্যোগপতি, কূটনীতিবিদ আৰু বিনিয়োগকাৰীসকলে এই সন্মিলনত অংশগ্ৰহণ কৰিব। দেশৰ শীৰ্ষ ব্যৱসায়িক নেতাসকল ইতিমধ্যে জয়পুৰত উপস্থিত হৈছে। সন্মিলনৰ দ্বিতীয় দিনা প্ৰবাসী ৰাজস্থানী সন্মিলনৰ আয়োজন কৰা হৈছে। ১১ ডিচেম্বৰত ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগী, নীতি নিৰ্ধাৰক তথা আৰু উদ্যোগ বিশেষজ্ঞসকলৰ অংশগ্ৰহণেৰে ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ সন্মিলন অনুষ্ঠিত হ'ব।

এই শীৰ্ষ সন্মিলনত অংশীদাৰ ৰাষ্ট্ৰ হিচাপে অংশগ্ৰহণ কৰিবলগীয়া ১৭খন দেশকে ধৰি মুঠ ৩২খন দেশে ভাগ ল'ব। এই অনুষ্ঠান সফল কৰি তোলাৰ বাবে ৰাজ্যখনত যোৱা কেইবামাহ ধৰি ব্যাপক আয়োজন কৰা হৈছে। এই সন্মিলনৰ উদ্দেশ্য হৈছে ৰাজস্থানৰ বিনিয়োগ আৰু উদ্যোগসমূৰ প্ৰসাৰ তথা নিয়োগৰ সুযোগ সৃষ্টি কৰা। ইতিমধ্যে এই শীৰ্ষ সন্মিলনৰ পূৰ্বেই ৩০ লাখ কোটি টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হৈছে। ৰাজস্থান চৰকাৰে অহা ৫ বছৰত ৰাজ্যখনৰ অৰ্থনীতি ৩৫০ বিলিয়ন ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি হাৰিয়ানাৰ পাণিপটৰ মহাৰাণা প্ৰতাপ উদ্যান শস্য বিশ্ববিদ্যালয়ৰ মূল প্ৰাঙ্গণৰ আধাৰশিলা স্থাপন কৰাৰ লগতে ভাৰতীয় জীৱন বীমা নিগমৰ **বীমা সখী যোজনা** মুকলি কৰিব। ১৮ৰ পৰা ৭০ বছৰ বয়সৰ দশম শ্ৰেণী উত্তীৰ্ণ মহিলাসকলৰ সবলীকৰণৰ বাবে ভাৰতীয় জীৱন বীমা নিগমে এই **বীমা সখী যোজনা** মুকলি কৰিছে। এই যোজনাৰ অধীনত মহিলাসকলৰ মাজত বিত্তীয় সাক্ষৰতা আৰু বীমা সজাগতা সৃষ্টি কৰাৰ লগতে তেওঁলোকক বিশেষ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। একেটা অনুষ্ঠানতে প্ৰধানমন্ত্ৰী মোদী কৰ্ণালৰ মহাৰাণা প্ৰতাপ উদ্যান শস্য বিশ্ববিদ্যালয়ৰ মূল প্ৰাঙ্গণৰ আধাৰশিলা স্থাপন কৰিব। ৭০০ কোটিৰো অধিক ব্যয় সাক্ষেপে নিৰ্মাণ কৰিবলগীয়া এই বিশ্ববিদ্যালয়খনত মূল ভৱনকে ধৰি ৬টা আঞ্চলিক গৱেষণা কেন্দ্ৰ থাকিব। তদুপৰি স্নাতক আৰু স্নাতকোত্তৰ অধ্যয়নৰ বাবে এখন উদ্যান শস্য মহাবিদ্যালয় আৰু ১০ টা উদ্যান শস্য শাখা সামৰি ৫ খন বিদ্যালয় থাকিব।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি ৰাছিয়াৰ কালিনিনগ্ৰেডৰ যন্ত্ৰ বন্দৰত ভাৰতীয় নৌবাহিনীৰ নৱতম সংযোজন মিছাইল ফ্ৰিগেট আই এন এছ টুছিল উদ্বোধন কৰিব। অনুষ্ঠানত নৌসেনাৰ মুৰব্বী এডমিৰেল দীনেশ কে ত্ৰিপাঠি উপস্থিত থাকিব। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকী কালি তিনিদিনীয়া ৰাছিয়া ভ্ৰমণসূচীৰে মস্কোত উপস্থিত হয়। শ্ৰীসিঙে কাইলে তেওঁ ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী আন্দ্ৰে বেলোছ'ভৰ সৈতে মস্কোত যুটীয়াভাৱে সামৰিক আৰু সামৰিক প্ৰযুক্তি সহযোগিতা সম্বন্ধীয় ২১ সংখ্যক ভাৰত-ৰাছিয়া আন্তঃচৰকাৰ আয়োগৰ বৈঠকত সভাপতিত্ব কৰিব। মন্ত্ৰী দুগৰাকীয়ে সামৰিক আৰু ঔদ্যোগিক সহযোগিতাৰ ক্ষেত্ৰত দেশ দুখনৰ মাজত থকা বহুমুখী সম্পৰ্কৰ পৰ্যালোচনা কৰিব। দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থজড়িত সমসাময়িক, আঞ্চলিক আৰু গোলকীয় বিষয়সমূহৰ সন্দৰ্ভতো মত বিনিময় কৰিব। শ্ৰীসিঙে মস্কোত থকা দ্বিতীয় বিশ্বযুদ্ধত শ্বহীদ হোৱা ছোভিয়েট সৈনিকসকলৰ স্মাৰকত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। তেওঁ লগতে মস্কোত থকা প্ৰবাসী ভাৰতীয়সকলৰ সৈতেও মত-বিনিময় কৰিব।

০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে ভাৰত আৰু ন'ৰৱেৰ মাজত ষ্টাৰ্টআপ সেঁতু মুকলি কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছে। দুয়োখন দেশে ব্যৱসায়িক সম্পৰ্ক শক্তিশালী কৰাৰ বিভিন্ন উপায় সন্দৰ্ভত আলোচনা অব্যাহত ৰখাৰ পৰিপ্ৰেক্ষিতত তেওঁ এই প্ৰস্তাৱ আগবঢ়ায়। শ্ৰীগোৱেলে উভয় দেশৰ মাজত দ্বিপাক্ষিক ব্যৱসায় আৰু বিনিয়োগ বৃদ্ধিৰ উদ্দেশ্য সংশ্লিষ্ট মন্ত্ৰালয়সমূহৰ সৈতে সহযোগিতাৰে এই ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহ সমূহীয়াভাৱে দূৰ কৰাৰ ক্ষেত্ৰত নিজৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰিছে। ভাৰতীয় উদ্যোগ মহাসংঘ চি আই আই-এ উদ্যোগ আৰু আভ্যন্তৰীণ বাণিজ্যিক প্ৰসাৰ বিভাগৰ উদ্যোগত মুম্বাইত আয়োজন কৰা ভাৰত-ন'ৰৱে ব্যৱসায়িক মঞ্চত ভাষণ দি তেওঁ এইদৰে কয়। শ্ৰীগোৱেলে ভাৰতক বিশ্বৰ বিনিয়োগৰ এক আকৰ্ষণীয় কেন্দ্ৰ হিচাপে অভিহিত কৰে আৰু ন'ৰৱেৰ কোম্পানীসমূহক আন্তঃৰাষ্ট্ৰীয় বজাৰৰ লাভ উঠাবলৈ ভাৰতত বিনিয়োগ কৰিবলৈ আহ্বান জনায়।

০০০০০

ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত বায়ুৰ গুণাগুণ অতি নিম্ন পৰ্যায়লৈ অৱনমিত হৈছে। কালি সন্ধিয়া ৮ বজা পৰ্যন্ত দেশৰ ৰাজধানীত বায়ু গুণাগুণ সূচ্যাংক আছিল ৩১৫। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ সূত্ৰ অনুসৰি দিল্লীৰ কেতবোৰ অঞ্চলত বায়ুৰ গুণাগুণ সূচ্যাংকই ৩০০ৰ স্তৰ পাৰ কৰিছে। সূত্ৰ অনুসৰি দিল্লীৰ ছাডিপুৰ ষ্টেচনত বায়ুৰ গুণাগুণ সূচ্যাংক ৩৯০ হোৱাৰ বিপৰীতে আনন্দ বিহাৰ অঞ্চলত এই সূচ্যাংক আছিল ৩৮০।

একেদৰে জাহাঙ্গীৰপুৰিত ৩৬১, দ্বাৰকা ছেক্টৰ এইটত ৩১৫, পাঞ্জাবী বাগত ৩১৫ আৰু আলিপুৰ অঞ্চলত এই সূচ্যাংক আছিল ৩২৭। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা দুদিন ধৰি নিশা আৰু পুৱাৰ ভাগত ৰাজধানী আৰু কাষৰীয়া এন চি আৰ অঞ্চলসমূহ ধোঁৱা আৰু মজলীয়া কুঁৱলীয়ে আৱৰি ৰাখিব বুলি আগলি বতৰা প্ৰকাশ কৰিছে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **যক্ষ্মা মুক্ত ভাৰত** সন্দৰ্ভত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ যক্ষ্মা বিভাগৰ ডি ডি জি অধ্যাপক ঊৰ্বশী বি সিং আৰু অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ পালমুনাৰী চিকিৎসা বিভাগৰ অধ্যাপক ডাঃ বিজয় হাড্ডাৰ সৈতে হোৱা এটা বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তিদ্বয়ক যক্ষ্মা ৰোগৰ চিনাক্তকৰণ আৰু ইয়াৰ চিকিৎসা সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে লগতে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব অথবা হেষ্টটেগ AskAir যোগে সামাজিক মাধ্যম X-ত প্ৰশ্ন সুধিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০

ওমানৰ মাস্কটত যোৱা নিশা অনুষ্ঠিত মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰতে বাংলাদেশক ১৩-১ গলৰ বিশাল ব্যৱধানত পৰাস্ত কৰে। ভাৰতৰ হৈ মুমতাজ খানে ৪টা আৰু কনিকা ছিৱাছ আৰু দীপিকাই ৩টা গল দিয়ে। ভাৰতে উন্নত কৌশল প্ৰদৰ্শনেৰে বাংলাদেশৰ ৰক্ষণ ব্যৱস্থাক বিবুধিত পেলোৱা দেখা গ'ল। উপ অধিনায়ক সাক্ষী ৰাণা, মনিষা আৰু বিউটি ডুংডুঙেও সুন্দৰ খেল প্ৰদৰ্শন কৰে। ভাৰতে নিজৰ পৰৱৰ্তী গ্ৰুপ পৰ্যায়ৰ খেলত আজি মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। এই আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত ১০টা দলে অংশগ্ৰহণ কৰিছে। গ্ৰুপ-এত যোৱাবাৰৰ বিজয়ী ভাৰতৰ লগতে চীন, মালয়েছিয়া, থাইলেণ্ড আৰু বাংলাদেশক অন্তৰ্ভুক্ত কৰা হৈছে। ইপিনে গ্ৰুপ-বিত দক্ষিণ কোৰিয়া, জাপান, চীনা টাইপে, হংকং আৰু শ্ৰীলংকা আছে।

০০০০০

ভাৰতীয় বেডমিণ্টন তাৰকা অশ্বিনী পোনাপ্পা আৰু টানিছা ক্ৰাষ্ট'ৰ যুটীয়ে কালি গুৱাহাটী মাষ্টাৰ্ছ ছুপাৰ হাণ্ড্ৰেড প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ খিতাপ দখল কৰে। যুটীটোৱে কেৱল ৪৩ মিনিটতে চীনৰ প্ৰতিদ্বন্দ্বী লী হুৱা ঝৌ আৰু ৱাং জী মেঙক ২১-১৮, ২১-১২ পোনপটীয়া গেমত পৰাস্ত কৰে। পেৰিছ অলিম্পিকত দেখুওৱা বেয়া প্ৰদৰ্শনৰ পাছত এই বিজয়ৰে ভাৰতীয় যুটীটোৱে শক্তিশালী প্ৰত্যাৱৰ্তন কৰিলে।

ইপিনে পুৰুষৰ একক শাখাত সতীশ কুমাৰ কৰুণাকৰণে চীনৰ ঝু ছুৱান চেনক ২১-১৭, ২১-১৮ গেমত পৰাস্ত কৰি দ্বিতীয়বাৰৰ বাবে ছুপাৰ হাণ্ড্ৰেড খিতাপ দখল কৰে। মহিলাৰ একক শাখাত ভাৰতৰ অনমোল খৰবে ৭৮ মিনিটজোৱা খেলখনত অলপৰ বাবে চীনৰ প্ৰতিদ্বন্দ্বীৰ হাতত পৰাস্ত হয়। ইয়াৰ পূৰ্বে মালয়েছিয়াৰ ছিয়া ৰেইজি আৰু লুই চেং হাৱেই পুৰুষৰ ডাবলছ খিতাপ দখল কৰে।

০০০০০

সমাপ্ত